মনোৰঞ্জন

বৰঝাৰ বিমানবন্দৰত দৰ্শন ৰাৱল, শ্বিলঙৰ Cherry Blossom Festivalত সংগীত পৰিৱেশন কৰিব কণ্ঠশিল্পীজনে

বলীউডৰ কণ্ঠশিল্পী দৰ্শন ৰাৱল ১৯ নৱেম্বৰত বৰঝাৰ বিমানবন্দৰত উপস্থিত হয়। ২০ নৱেম্বৰত শ্বিলঙৰ চেৰী ব্লছম ফেষ্টিভেলত তেওঁ সংগীত পৰিৱেশন কৰিব।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, আবেলি ৬:২৪



Darshan Raval

গুৱাহাটী, ১৯ নৱেম্বৰ:

বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী দৰ্শন ৰাৱল বৃহস্পতিবাৰে গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হয়। বিমানবন্দৰৰ পৰা ওলাই অহাৰ সময়ত অনুৰাগীসকলে ফুলৰ থোপা আৰু অসমীয়া গামোচাৰে শিল্পীগৰাকীক উষ্ম আদৰণি জনায়।

২০ নৱেম্বৰত মেঘালয়ৰ শ্বিলঙত অনুষ্ঠিত হ'বলগীয়া চেৰী ব্লছম ফেষ্টিভেল ২০২৬ত সংগীত পৰিৱেশন কৰিব দৰ্শন ৰাৱলে। প্ৰথমবাৰৰ বাবে শ্বিলঙত অনুষ্ঠান পৰিৱেশন কৰিবলৈ পাই তেওঁ অত্যন্ত উৎসাহিত বুলি কণ্ঠশিল্পীগৰাকীয়ে প্ৰকাশ কৰে।

© 2026 NewzNow

দুদিনীয়াকৈ অনুষ্ঠিত হ'ব উৎসৱ

২০ আৰু ২১ নৱেম্বৰত ভইৰিমবঙৰ মদন কুৰকালাং ক্রীড়া প্রকল্পত এই সংগীত মহোৎসৱ অনুষ্ঠিত হ'ব। প্রথম দিনা দর্শন ৰাৱলৰ লগতে আমেৰিকান ৰেপ শিল্পী নেলী, পপ-ৰক বেণ্ড বয়েজ লাইক গার্লছ আৰু ইলেক্ট্রনিক সংগীত যুটি আল্টেগোৱে অনুষ্ঠান পৰিৱেশন কৰিব।

দ্বিতীয় দিনা আৰ এণ্ড বি শিল্পী খালিদ, ৰেপ শিল্পী ছুৱে লি, ছুইডিছ ইলেক্ট্রনিক সংগীত যুটি গেলাণ্টিছ আৰু ৰেট্র'-পপ শিল্পী এলিয়ট জেমছ ৰে মঞ্চত থাকিব। উত্তৰ-পূর্বাঞ্চলৰ লগতে দেশৰ বিভিন্ন প্রান্তৰ শিল্পী আৰু বেণ্ডেও উৎসৱত সংগীত পৰিৱেশন কৰিব।

খাদ্যৰ মেলা আৰু বিভিন্ন প্রতিযোগিতা

সংগীতানুষ্ঠানৰ উপৰি উৎসৱস্থলীত স্থানীয় খাদ্যৰ মেলা, কলা প্রদর্শনী, ফেশ্বন শ্ব', কছপ্লে' প্রতিযোগিতা, বিটবক্সিং, আর্ম ৰেছলিং আৰু বিভিন্ন ফিটনেছ চেলেঞ্জৰ আয়োজন কৰা হৈছে।

এদিনীয়া সাধাৰণ প্রৱেশৰ টিকটৰ মূল্য ৩,১৯৯ টকাৰ পৰা আৰম্ভ হৈছে। ভিআইপি, ফেনপিট, ভিআইপি+, বেকষ্টেজ আৰু চিবি লাউঞ্জকে ধৰি বিভিন্ন শ্রেণীৰ টিকটৰ ব্যৱস্থা আছে। দুদিনীয়া সাধাৰণ পাছৰ মূল্য ৬,১৯৯ টকাৰ পৰা আৰম্ভ হৈছে। টিকটৰ মূল্যত ১৮ শতাংশ জিএছটি আৰু বুকিং মাচুল অন্তর্ভুক্ত বুলি প্রকাশ কৰা হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4505/dsn-al-swilng-ceee-blchm-feshtivel